# 2016

## ASSAMESE

( Major )

Paper : 6.6

( ভাষা-বিজ্ঞানৰ পৰিচয় )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা (যি কোনো সাতটা) : ১×৭=৭

(ক) পাণিনিৰ 'অষ্টাধ্যায়ী'খনক আন কি নামেৰে জনা যায় ?

(খ) *A Course in Modern Linguistics* নামৰ গ্ৰন্থখনৰ প্ৰণেতা কোন ?

(গ) ভাষাৰ দুটা মুখ্য দিশৰ এটা ধ্বনন; আনটো কি ?

(ঘ) দন্তমূলীয় ধ্বনিৰ উচ্চাৰণকৰণ (Articulator) কি ?

(ঙ) "এটা ভাষা জন্মস্থানত মৃত হৈ সেই ঠাইৰ শত্ৰুৰূপে পৰিগণিত হোৱা লোকৰ মাজতো জীয়াই থাকিব পাৰে।" কথাষাৰ সঁচানে ?

(চ) ভাষাৰ বৃহত্তম এককটো কি ?

(ছ) ভাষা-বিজ্ঞানৰ অধ্যয়নত ব্যৱহাৰ হোৱা যি কোনো এবিধ যন্ত্ৰৰ নাম লিখা।

(জ) গ্ৰীক ভাষাৰ কি শব্দৰ পৰা ইংৰাজী Syntax (বাক্যতত্ত্ব) শব্দটো সৃষ্টি হৈছে ?

(ঝ) 'ক'লগেট' এটা কোম্পানীৰ নাম যদিও সাধাৰণতে সকলো ধৰণৰ টুথপেষ্টক বুজাবলৈ 'ক'লগেট' শব্দটো ব্যৱহাৰ কৰা দেখা যায়। শব্দাৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰাত এই পৰিৱৰ্তনক কি বুলি কোৱা হয় ?

২। চমু উত্তৰ লিখা (যি কোনো চাৰিটা) : ২×৪=৮

(ক) উচ্চাৰণৰ প্ৰাবল্য অনুসৰি ধ্বনিক কেইটা আৰু কি কি ভাগত ভাগ কৰিব পাৰি ?

(খ) বিভাজ্য (Segmental) আৰু অবিভাজ্য (Supra-segmental) বৰ্ণ বুলিলে কি বুজা ?

(গ) ব্যক্তিভাষা কাক বোলে ?

(ঘ) অৰ্থ-সংশ্লেষ বুলিলে কি বুজা ?

(ঙ) শূন্য বিভক্তি কি ?

(চ) ভাষা-ভূগোল বুলিলে কি বুজা ?

(ছ) বাক্যত সুৰ লহৰৰ ভূমিকা সম্পৰ্কে লিখা।

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) মানস্বৰ ধ্বনি

(খ) ভাষাৰ প্ৰগতি আৰু অৱনতি

(গ) মনো-ভাষা-বিজ্ঞান

(ঘ) ব্যাকৰণগত লিঙ্গ

(ঙ) নিকটস্থ অঙ্গ

৪। (ক) ধ্বনি-বিজ্ঞান বুলিলে কি বুজা? ধ্বনি-বিজ্ঞানে কি কি বিষয়ক সামৰি লয়? ধ্বনি-বিজ্ঞানক কি কি ভাগত ভাগ কৰিব পাৰি, আলোচনা কৰা। ২+২+৬=১০

*অথবা*

(খ) আকৃতি আৰু প্ৰাকৃতিৰ সংজ্ঞা নিৰূপণ কৰি আকৃতিৰ পৰা কিদৰে প্ৰাকৃতি নিৰ্ণয় কৰিব পাৰি, আলোচনা কৰা। ১০

৫। (ক) ভাষা-বিজ্ঞান বুলিলে কি বুজা? ভাষা-বিজ্ঞানক কি কি ভাগত ভগোৱা হয়? ঐতিহাসিক আৰু তুলনামূলক ভাষা-বিজ্ঞানৰ বিষয়ে বহলাই আলোচনা কৰা। ২+২+৬=১০

*অথবা*

(খ) উপভাষা-বিজ্ঞান বুলিলে কি বুজা? উপভাষাৰ সীমা নিৰ্ধাৰণত শব্দৰেখা (Isogloss) আৰু আন আন সমৰেখাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা। ২+৮=১০

৬। (ক) শব্দাৰ্থ-বিজ্ঞানৰ সংজ্ঞা নিৰূপণ কৰি শব্দৰ অৰ্থ পৰিৱৰ্তনৰ কাৰণবোৰ বহলাই আলোচনা কৰা। ২+৮=১০

অথবা

(খ) বাক্যতত্ত্ব কি? বাক্যক কি কি দিশৰ পৰা শ্ৰেণী-বিভাজন কৰিব পাৰি? অৰ্থৰ দিশৰ পৰা বাক্যক ভাগ কৰি প্ৰতিটো ভাগৰ বিষয়ে আলোচনা কৰা। ২+২+৬=১০

★★★